ষষ্ঠ ষাণ্মাসিকৰ পঞ্চম কাকতৰ দ্বিতীয় গোটৰ কাৰণে 'সাহিত্য বিদ্যা পৰিক্ৰমা'ৰ পৰা এই সংজ্ঞা সমূহ ভালদৰে পঢ়িবা। বিভিন্ন কবিতাৰ পংক্তি আছে। সেইবোৰ ভালকৈ চাবা। পৰীক্ষাত পংক্তিবোৰ দি কোনটো কি ছন্দ প্ৰশ্ন আহিব।

## ।। পদ ।। (পয়াৰ)

সংস্কৃতৰ যিকোনো ছন্দেৰে কবিতা নাগাওক, মানুহে কয় শ্লোক মাতিছে। সেইদৰে পুথি গালেই কয় পদ মাতিছে। সংস্কৃতৰ আৰ্হিত ৰচনা কৰা ছন্দোবদ্ধ ৰচনাক বুজাবলৈ কবিসকলে 'পদ' শব্দটো ব্যৱহাৰ কৰিছিল। সংস্কৃতত প্ৰত্যেক ছন্দতে চাৰি শাৰী থাকে। একোটা শাৰীক চৰণ বোলে। অসমীয়া চৰণৰ ঠাইত পদ বোলা হয়। পদত চৈধ্য আখৰৰ দুটা শাৰী থাকে। তাৰে একো শাৰীক পদ বোলা হৈছিল আৰু সেয়ে শেহত গোটেই ছন্দৰ নাম অধিকাৰ কৰিলে। সংস্কৃতত এটা বা দুটা চৰণতে সম্পূৰ্ণ ভাবটো প্ৰকাশ কৰা নহয়। চাৰিওটা চৰণতহে ভাবটো পূৰ্ণ কৰে। অসমীয়াত অৱশ্যে এই নিয়ম মনা দেখা নাযায়। কেতিয়াবা চতুৰ্থ

শাৰীতো শেষ নহৈ পিছলৈ যোৱাও চকুত পৰে। পদৰ প্ৰত্যেক শাৰীতে অষ্টম আখৰৰ পিছত বিৰাম বা যতি পৰে।

'প্ৰথমে প্ৰণামো ব্ৰহ্ম/ ৰূপী সনাতন//
সৰ্ব অৱতাৰৰ কা/ ৰণ নাৰায়ণ'// — কীৰ্তন

আজিকালি ছন্দৰ উভৈনদী হৈ পৰিছে— হলেও পদৰ ভোগ কমা নাই। আধুনিক পদৰ লগত পুৰণি পদৰ বিভিন্নতা উচ্চাৰণত। পুৰণি পদ গাওতে উচ্চাৰণত ব্যঞ্জনান্তবোৰো ব্যৱহাৰত স্বৰান্ত কৈ গোৱা হয়। আধুনিক পদত লিখাত স্বৰান্ত কৈ লিখা থাকিলেও সাধাৰণ কথাবাৰ্তাত সি ব্যঞ্জনান্ত আৰু তাক সেইদৰেই মতা হয়।

পুৰণি— (১) 'কৃষ্ণৰূপে দৈৱকীত ভৈলা অৱতাৰ।
শঙ্খ-চক্ৰ-গদা-পদ্ম কৰত তোমাৰ।'
— শিশুলীলা, কীৰ্তন (কীৰ্তন)

আধুনিক— (২) 'হে ঈশ্বৰ তুমি হোৱা জীৱন পোহৰ
দেখোমানে আচৰিত বস্তু জগতৰ।'

প্ৰথম উদাহৰণত দৈৱকীত্, অৱতাৰ্, কৰত্, তোমাৰ্ বুলি উচ্চাৰণ কৰিলে বেয়া শুনাব আৰু সেইটো নিয়মো নহয়। দ্বিতীয় উদাহৰণটো ঈশ্বৰ, জীৱন আৰু পোহৰৰ শেহত অকাৰ উচ্চাৰণ কৰি গালে কেনেবা যেন লাগিব। এইমতে চালে আধুনিক পদ-কবিতাত বৰ্ণ হিচাপে চৈধ্যটা থাকিলেও অক্ষৰ হিচাপে এঘাৰ বাৰ বা তেৰটা মানহে থাকে। গতিকে ওপৰৰ শাৰীত যিমান Syllable বা অক্ষৰ থাকে পিছৰ শাৰীত সিমান ৰাখিবলৈ যত্ন কৰিলে শুনিবলৈ বেছি ভাল হয় নহ'লে কেতিয়াবা অশুৱলা হোৱাৰ সম্ভাৱনা থাকে।

আধুনিক পদ-ছন্দত আৰু এটি নতুন সংযোজন পৰ্যায়মিলন— ইয়াক পৰ্যায় পদ বুলিও কব পাৰি। প্ৰথম শাৰীৰ শেষ আখৰৰ তৃতীয় শাৰীৰ আৰু দ্বিতীয়ৰ লগত চতুৰ্থৰ শেহৰ আখৰ মিলোৱা হয়।

'হে পথিক জুৰোৱাহি তাপিত জীৱন।
ক্ষন্তেক বহিলে হিয়া পৰিব শীতল।
ভাগৰুৱা পথিকৰ শান্তি নিকেতন।
অময়া প্ৰেমৰ পুৰী গিৰি সন্ধ্যাচল।'— ৰঘুনাথ

অমিত্ৰাক্ষৰ ছন্দও পদৰে ৰূপান্তৰ মাথোন। বংগকবি মধুসূদনৰ পিছত অসমতো ইয়াৰ প্ৰচলন হয়। কবি ভোলানাথ দাস আৰু ৰমাকান্ত চৌধুৰীয়ে মধুসূদনৰ আৰ্হিত প্ৰথম অসমীয়া ভাষাত অমিত্ৰাক্ষৰ পদ ৰচনা কৰে। সাধাৰণ পদৰ দৰে অমিত্ৰাক্ষৰ পদত চাৰি ফাকিৰ দৰকাৰ নহয় আৰু একে ফাকিতে কেতিয়াবা বাক্যও সম্পূৰ্ণ নহয়। এই ফালৰপৰা চালে ই পদ নামৰ অযোগ্য।

দুলড়ী ঃ দুলড়ীৰ স্থান পদৰ পাছতে হব। ধৰ্মপুথিৰ বাহিৰেও বিহুনাম, বিয়ানাম,

আইনাম আদিত ইয়াৰ প্ৰচলন সবাতোকৈ বেছি। বিহুনামবিলাক প্ৰায়ভাগেই দুলড়ীত ৰচা। দুলড়ীত যতি নিয়ন্ত্ৰিত তিনিটাকৈ পৰ্ব থাকে। এই কাৰণেই বঙালীত ইয়াক ত্ৰিপদী বোলে। প্ৰথম আৰু দ্বিতীয় ফাকিত ছটাকৈ, তৃতীয় শাৰীত আঠোটা আখৰ থাকে। প্ৰত্যেক ফাকিৰ শেহত যতি পৰে। এনেকুৱা ছটা ফাকিৰে ছন্দটো পূৰ্ণ হয়।

৬-৬ 'কৃষ্ণৰ বিক্ৰম/ দেখি ঋক্ষৰাজ/
৮ পৰম বিস্ময় মনে//
৬-৬ স্বামী হেন জানি/ বুলিবা লাগিল/
৮ প্ৰণামি কৃষ্ণ চৰণে'//

তৃতীয় আৰু ষষ্ঠ ফাকিৰ মিত্ৰাক্ষৰতা থাকে যথা— মনে, চৰণে। আধুনিক দুলড়ীতো আগৰ দৰেই মিত্ৰাক্ষৰতা আছে। কেতিয়াবা কোনো কোনোৱে মিত্ৰাক্ষৰতা আৰু অলপ বঢ়াই দি প্ৰথম আৰু দ্বিতীয় চৰণৰ শেহৰ আখৰো মিলাই দিয়ে। পুৰণি ছন্দতো মাজে মাজে তেনে মিলন চকুত পৰে।

'জানকীৰ হেতু/ বান্ধিলাহা সেতু/
দহিলা লংকা নগৰী//
ৰাৱণৰ মাথ/ কাটিলাহা নাথ/
আনিলা সীতা উদ্ধাৰি//

বিহুনামৰ উদাহৰণ দিবৰ সকামেই নাই। প্ৰায় সকলো বিহুনামেই এই ছন্দত ৰচা। বিয়ানামবিলাকত আন ছন্দও আছে। বিয়ানাম আৰু আইনামবিলাকত এটা কথা লক্ষ্য কৰিবলগীয়া। ছন্দটোৰ প্ৰত্যেক চৰণৰ মূৰে মূৰে একো আষাৰ জুৰি দিয়া হয়— যেনে ৰামচন্দ্ৰ, ৰাম ৰাম, জোনে বেলি, ঐ শশী, এ শিৱ, এ হৰ ইত্যাদি। এই আষাৰ বাদদি পঢ়িলে ঠিক দুলড়ী ছন্দটো ৰৈ যাব।

"ৰাম ৰাম বৰঘৰ শুৱনি ৰাম ৰাম জীয়াৰী ছোৱালী
ৰাম ৰাম উলিয়াই দিবলৈ টান।'

এইদৰে নামৰ সুৰ মিলাবলৈ ঐ ৰামে এ হে আদি নামৰ পাছত জুৰি দিলেও মূলছন্দ একেটাই।

**ছবি :** ছবিক দীঘলীয়া দুলড়ী বুলিলেও ভুল কোৱা নহয়। বঙালীত সেই কাৰণেই এই ছন্দক দীৰ্ঘ ত্ৰিপদী বোলে। এই ছন্দৰ ব্যৱহাৰ দুলড়ী পদৰ সমান বেছি নহয়। তিনিটা চৰণ থাকে, চৰণৰ আখৰৰ সংখ্যা আঠ আঠ আৰু দহ ছটা চৰণত সম্পূৰ্ণ হয়। তৃতীয় আৰু ষষ্ঠ চৰণ মিলিতান্ত কৰা হয়।

৮-৮ 'তযু অংশ হোৱে নষ্ট/ ইটো প্ৰভু বৰ কষ্ট/
১০ কেমনে চাহিয়া থাকা ৰঙ্গ//
৮-৮ তৰোক সংসাৰ ঘোৰ/ দেখি দুখ লাগে মোৰ/
১০ তোমাৰ দাসৰ দিয় সঙ্গ"//

আজিকালিও ছবিৰ প্ৰচলন যথেষ্ট আছে। অৱশ্যে কোনো কোনোৱে অলপ ইফাল-সিফাল কৰে। তৃতীয় ষষ্ঠ চৰণৰ লগত দহোটীয়া আখৰৰ আৰু এটা চৰণ যোগ কৰে। দুলড়ী আৰু ছবি লগ লগাই আৰু এবিধ ছন্দ আধুনিক কবিসকলে সৃষ্টি কৰিছে। তাৰ অক্ষৰ সংখ্যা আঠ ছয় আৰু দহ, তৃতীয় আৰু ষষ্ঠ চৰণৰ পদান্তমিল। আঠ, ছয় আৰু দহ আখৰীয়া যতি।

(১) 'মাঘৰ বেলিয়ে ঠেলি/ কুঁৱলী ঢাকনি/
দিলে দেখা মাজ আকাশত/
উজ্জ্বল কিৰণ মালা/ জিলিকি উঠিল/
প্ৰকৃতিৰ প্ৰত্যেক ভাগত'// —দণ্ডিনাথ কলিতা

(২) 'বহুদূৰ বাট দেখি/ ৰ'লা কিয় ল'ৰা/
মূৰ কপালত হাত থই//
কাইট দেখিয়ে কিয়/ চক খালা ল'ৰা/
নিচিণ্ডি গোলাপ আছা ৰ'ই'//
— আনন্দচন্দ্ৰ আগৰৱালা

**লেচাৰি** ঃ লেচাৰি ছন্দটো দীঘল আৰু লেহেতীয়া। ইয়াৰ ব্যৱহাৰে সিমান বেছি নহয়। নামঘোষা, ঘোষাৰত্ন, নাট আদিত এই ছন্দৰ বেছি প্ৰয়োগ দেখা যায়। লেচাৰি ছন্দও তিনি পদী এনেকুৱা দুফাকি ত্ৰিপদত ছন্দটো সম্পূৰ্ণ হয়। অক্ষৰ সংখ্যা দহ দহ আৰু চৈধ্য। চৈধ্য আখৰীয়া দুই শাৰীত আৰু দহকীয়া দুশাৰীতে পাদান্তমিল থাকে।

'কৃষ্ণ এক দেৱ/ দুঃখহাৰী//
কালমায়াদিৰো/ অধিকাৰী/
কৃষ্ণ বিনে শ্ৰেষ্ঠ/ দেৱ নাহি নাহি আৰ//
সৃষ্টি স্থিতি অন্ত/ কাৰী দেৱ//
তান্ত বিনে আন/ নাহি কেৱ//
জানিবা বিষ্ণুসে/ সমস্ত জগতে সাৰ'// — নামঘোষা

দীঘল দাৰিৰ চিনে চিনে যতি পৰে। যতিৰ ঠাই লৰচৰ হবও পাৰে। কেতিয়াবা দহকীয়া দুশাৰীৰ অন্তমিল নাথাকে, কিন্তু তেনে দৃষ্টান্ত বিৰল।

'একখানি মাত্ৰ/ শাস্ত্ৰ নিষ্ঠ//
দেৱকী নন্দনে/ কৈলা যাক//
দেৱো একমাত্ৰ/ দৈৱকী দেৱীৰ সুত//
দৈৱকী পুত্ৰৰ/ পদসেৱা//
কৰ্ম এক এহি/ মানে মাত্ৰ//
মন্ত্ৰ এক তান/ নাম মাত্ৰ অদভুত'// — নামঘোষা

লেচাৰি ছন্দ সুৰ ধৰি গাঁওতে লেছেৰি কোবাই যায়। উশাহো দীঘলীয়া কৰিব লাগে। গতিকে গাই সোনকালে আমনি লগাৰ সম্ভাৱনা থাকে। এইবোৰ কাৰণত পুৰণি লিখকসকলে কেতিয়াবা সৰহীয়া লেচাৰি ৰচনাৰ মাজত ছবি সুমুৱাই দিয়ে। গাওঁতাৰো সুবিধা হয় শুনোতাৰো ভাল লাগে। ছন্দৰ এই সকাহ বা 'ৰিলিকি' পুৰণি কবিসকলৰ জনা আছিল। নামঘোষাত 'কৃষ্ণ এক দেৱ দুখহাৰী' এই লেচাৰি চোৱাৰ মাজতে 'অবিৰক্ত ভকতৰ, বেদ লংঘিবাৰ দোষ' এই ছবিডোখৰ সুমাই দি আকৌ লেচাৰি আৰম্ভ কৰিছে। এইদৰে কুৰিফাকিমান লেচাৰিৰ পিছতে পুনৰ 'ভগৱন্ত ভক্তিযুক্ত, পুৰুষৰ আত্মবোধ' এই ফাকি সুমুৱাই দিছে। বিশেষকৈ লেচাৰি ছন্দত এই নিয়ম মন কৰিবলগীয়া। ছন্দত মুখ সলনিৰ এই প্ৰথা অসমীয়া পুৰণি পুথিত মাজে মাজে দেখা যায়। সংস্কৃত মহাকাব্যবিলাকত এটা অধ্যায়ৰ শেহৰ দুফাকি মানত এনে মুখ সলনিৰ ব্যৱস্থা আছিল।

আজিকালি ছবি আৰু লেচাৰিৰ মিলনত ওপজা আৰু এবিধ ছন্দ কবিসকলে ব্যৱহাৰ কৰে। তাৰ প্ৰথম দুই চৰণ ছবিৰ, তৃতীয় চৰণ লেচাৰিৰ।

আঁচনি ঃ ৮ ৮

১৪

'নিৰলে থাকিম বুলি/ সাজিছোঁ ইয়াতে পঁজা/
দাঁতিয়েদি বৈ যায়/ পাহৰণি ন'ই//
ধুনীয়া জোনাক ৰাতি/ বহি তাৰ পাৰতেই/
শুনাম জীৱন গীতি/ বীণখনি লৈ'// — দুৰ্ব্বা।

## ।। ঝুনা ।।

ঝুনা, ঝুমুৰী আৰু কুসুমমালা এই তিনিও পদজাতীয় ছন্দ। এই কিটা ছন্দৰ আটাইকেইটা শাৰী সমান আখৰৰ। সেইবাবে সমছন্দও বুলিব পাৰি। দুলড়ী জাতীয় ছবি আৰু লেচাৰিত এটাই কেউশাৰী আখৰৰ সংখ্যা সমান নহয়। সেইকাৰণে এই কেইটা অৰ্ধসম ছন্দ। ঝুনা এঘাৰ আখৰীয়া দুশাৰী থাকে আৰু শেহৰ আখৰৰ মিল থাকে প্ৰতি ষষ্ঠ আৰু একাদশ আখৰৰ শেহত যতি পৰে।

বৈষ্ণৱ গ্ৰন্থত শংকৰদেৱেই এই ছন্দ খুব বেছি ব্যৱহাৰ কৰিছে। ঝুনা ছন্দ কীৰ্ত্তনতে বেছিকৈ পোৱা যায়।

আঁচনি ঃ ১১ 'আছে ৰাজহংস/ সমূহে ৰঞ্জি//
লীলায়ে মৃণাল/ভুঞ্জে উভঞ্জি//
পাৰে পাৰিজাত/মলয়া বাৱ//
চটকে তেজেসু/ললিত ৰাৱ'// —কীৰ্ত্তন

ঝুনাৰেই ইফাল-সিফাল কৰি আজিকালি লিখকসকলে এবিধ শুৱলা ছন্দ ৰচনা

কৰিছে। এই ছন্দত চাৰিটা চৰণ থাকে। প্ৰথম আৰু তৃতীয়ত বাৰটাকৈ দ্বিতীয় আৰু চতুৰ্থত এঘাৰটাকৈ আখৰ পৰে। মিত্ৰাক্ষৰতা কোনো ঠাইত থাকে কোনো ঠাইত নাথাকে। প্ৰত্যেক ষষ্ঠ আখৰৰ পিছত যতি।

কবি যতীন্দ্ৰ দুৱৰাদেৱৰ গোটেই ওমৰতীৰ্থ এই ছন্দত লিখা। শ্ৰীযুত বিনন্দ বৰুৱাই শঙ্খ ধ্বনিত জাতীয় ভাবাত্মক কবিতাবোৰত আৰু ডিম্বেশ্বৰ নেওগে ইন্দ্ৰধনুত এই ছন্দৰ বঢ়িয়াকৈ প্ৰয়োগ কৰিছে। তেখেতসকলৰ পিছৰপৰাই জাতীয় ভাবৰ কবিতাত এই ছন্দ বহুতে ব্যৱহাৰ কৰিবলৈ ধৰিছে। এইবিধ ছন্দ কিন্তু মাত্ৰাৰ ওজনেৰে নিয়ন্ত্ৰিত।

ঝুমুৰী চাৰি চৰণত সম্পূৰ্ণ হয়। প্ৰত্যেক চৰণত আঠোটাকৈ আখৰ থাকে। আগেয়েই কৈ অহা হৈছে যে ঝুমুৰ এবিধ গান, সেই গানৰ কথা ভাগ আঠোটাকৈ আখৰৰ ৰচনা। এতিয়াও এই গান উৰিষ্যাত আছে। ইয়াৰ শাৰীত আঠোটাকৈ আখৰ থাকে। প্ৰত্যেক চতুৰ্থ আখৰৰ পিছত যতি পৰে।

৮ 'হেন শুনি/ জাম্বুবন্ত//
৮ ধাইলা মহা/ বলবন্ত//
৮ নিচিনি স্বা/ মীক পাছে//
৮ ধৰিলন্ত/ যুদ্ধ কাছে'// — কীৰ্ত্তন

আজিকালি এই ছন্দৰ প্ৰচলন কমি আহিল। জোনাকী যুগৰ আৰু তাৰ পিছৰ দুই এজনে এই ছন্দৰ ব্যৱহাৰ কৰি গৈছে। ধনাই বৰাৰ কবিতা চন্দ্ৰিকাত ঃ

'জানা ল'ৰা/ কি কাৰণ//
বিদ্যাধন/ মহাধন//
অন্যধন/ চোৰে পায়//
অগনিত/ পুৰি যায়'//

আজিকালি যোল আখৰীয়া এবিধ ছন্দ এই ঝুমুৰীৰে ৰূপান্তৰ মাথোন। কেৱল দ্বিতীয় চতুৰ্থৰ পাদান্তমিলেই ইয়াৰ বিশেষত্ব। যতিস্থানৰো লৰচৰ হয়।

'এতিয়া বুৰিল বেলি/ লুকাল সুখৰ দিন//
শূন্য পৰাণত বাজে/ নিৰাশ শোকৰ বীণ'//— দুৱৰা

**দীৰ্ঘ ঝুমুৰী** ঃ আঠ আখৰীয়া ঝুমুৰীতে দুটা আখৰ বঢ়াই দি দীৰ্ঘঝুমুৰী বোলা হৈছে। পুৰণি সাহিত্যতো এই ছন্দৰ ব্যৱহাৰ কম। ইয়াত দহ আখৰীয়া চাৰি শাৰী থাকে। প্ৰথম আৰু দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ শাৰীৰ পাদান্তমিল। সাধাৰণতে চতুৰ্থ আখৰৰ পিছত প্ৰথম যতি পৰে।

১০ 'গোপীগণে/ উভয় সঙ্কটে//
১০ মন দুখে/ মিলিল প্ৰকটে//
১০ কৃষ্ণৰ চা/ হিয়া গোপীগণ//

লাজে তাৰো/ নোলাই বচন'//

— ৰাম সৰস্বতী ঃ গীতগোবিন্দ

আজিকালি এই ছন্দত বৰকৈ লিখা দেখা নাযায়। কবি দুৰ্ব্বাই এই ছন্দৰ মাজে মাজে ব্যৱহাৰ কৰে। সেইবোৰৰ দ্বিতীয় চতুৰ্থ শাৰীত মাত্ৰ পাদান্তমিল ৰাখে।

'সুৰবোৰে/ প্ৰাণৰ মাজত/
অকলই/ থাকিব নোৱাৰি/
উৰি গ'ল/ সৰগৰ পিনে/
জগতত/ হৃদয় বিচাৰি'/ — *দুৰ্ব্বা ঃ আপোন সুৰ*

**কুসুমমালা** ঃ আটাইতকৈ সৰু আৰু খৰতীয়া সমছন্দ হৈছে কুসুমলালা। কুসুমলালা ছন্দক 'গুণমালা' ছন্দ বুলিলেও ভুল বোলা নহয়। শংকৰদেৱৰ *গুণমালায়ে* এই ছন্দৰ কম-বেছি ব্যৱহাৰ কৰি গৈছে।

কুসুমমালাৰো চাৰিটা চৰণ আৰু প্ৰতি চৰণত ছয়টাকৈ আখৰ, চৰণবোৰ মিলিতান্ত। পাদান্ত কেৱল যতি পৰে।

(ক) 'নমো নাৰায়ণ।
সংসাৰ তাৰণ।
ভকত তাৰণ।
তোমাৰ চৰণ।'
— *গুণমালা*

(খ) 'কৃষ্ণ যদুপতি
জগতৰ পতি
মোৰ ৰথ বৰ
কৃষ্ণ পাণ্ডৱৰ
মধ্যত সৱাৰ থাপিও ঈশ্বৰ।'— *গীতাগুণমালা*